# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-02-2025
**Time:** 1715 Hrs

## *Assamese Evening Bulletin*

*- - - - - - - - - - - - - -*

মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, নেঘেৰীটিঙকে ধৰি বিভিন্ন স্থানত আজি যথাৰীতি আশুতোষৰ আৰাধনা কৰা হয়। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। মহাদেৱৰ পূজা-অৰ্চনাৰ বাবে শিৱদৌলত আজি পুৱাৰে পৰা হাজাৰ হাজাৰ ভক্তৰ আগমন ঘটিছে। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে আজি পুৱা শিৱদৌলত পূজা-অৰ্চনা কৰে। জিলা প্ৰশাসনে অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি পূজা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। শিৱৰাত্ৰিৰ লগত সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো বৃহৎ মেলাৰ আয়োজন কৰা হৈছে। মেলাত ৫০০ৰো অধিক ব্যৱসায়িক প্ৰতিষ্ঠানে অংশ লৈছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। জিলাখনত পৰহিলৈ এই কাৰ্যসূচীৰ অন্ত পৰিব। শিৱৰাত্ৰিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত শিৱপূজাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ ঐতিহাসিক পাগলাৰটেক শিৱ মন্দিৰত কালিৰে পৰা চাৰিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে শিৱৰাত্ৰি পালন কৰা হৈছে। কালি অধিবাসৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। প্ৰবাদ অনুসৰি চান্দ সদাগৰৰ দিনৰ পৰা এই মন্দিৰত শিৱপূজা চলি আহিছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী হেলিডেগঞ্জৰ পাগলাবাবা থান শিৱমন্দিৰত শিৱৰাত্ৰি উপলক্ষে ভক্তসকলে পূজা-অৰ্চনা কৰে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত থকা শিৱ মন্দিৰসমূহত আজি পুৱাৰে পৰা বন্তি, ধূপ-ধূনা আৰু নৈবদ্যৰে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হয়। গুৱাহাটী মহানগৰীৰ ঐতিহাসিক শ্ৰীশ্ৰীলংকেশ্বৰ ধামত আজি শিৱ চতুৰ্দশী তিথিৰ সৈতে সংগতি ৰাখি মহাশিৱৰাত্ৰি পূজা আৰু মহামেলা উৎসৱৰ আয়োজন কৰা হৈছে।

নগাঁও জিলাৰ সাৰ্বজনীন শিৱমন্দিৰত আজিৰে পৰা তিনিদিনীয়াকৈ শিৱৰাত্ৰি পালন কৰা হৈছে। নগাঁও চহৰৰ মালভোগবাবা আশ্ৰম শিৱমন্দিৰ, কলংপাৰ শিৱমন্দিৰৰ উপৰি অন্যান্য স্থানত শিৱৰাত্ৰিৰ পূজাৰ আয়োজন কৰা হৈছে।

ooooo

অসমে শক্তি সুৰক্ষাৰ ক্ষেত্ৰত সুকীয়া ধাৰা প্ৰৱৰ্তন কৰিছে আৰু অনাগত সময়ত এই খণ্ডত ৰাজ্যখনৰ ভূমিকা বৃদ্ধি পাব বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। গুৱাহাটীত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন দ্বিতীয় এডভাণ্টেজ আছামৰ

আজি দ্বিতীয় দিনা **অসমৰ শক্তি সম্ভাৱনাৰ পূৰ্ণ ব্যৱহাৰ ঃ ভৱিষ্যতৰ বাবে প্ৰস্তুত তেল আৰু গেছ আন্তঃগাঁথনি নিৰ্মাণ, উদ্ভাৱন আৰু বিনিয়োগ** সম্পৰ্কীয় বিষয়ভিত্তিক সত্ৰত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। এই সত্ৰৰ অংশ হিচাপে উদ্যোগপতি আৰু উদ্যমীসকলৰ এটা বৃহৎ সমাবেশত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ দৰে অৰ্থব্যৱস্থাৰ কাৰণে শক্তিৰ উপলব্ধ উৎসসমূহ ব্যৱহাৰ কৰাটো অতিকে গুৰুত্বপূৰ্ণ। সেউজ হাইড্ৰ'জেনক ভৱিষ্যতৰ ইন্ধন আৰু ৰূপান্তৰকাৰী বুলি অভিহিত কৰি শ্ৰী পুৰীয়ে কয়, যে সেউজ হাইড্ৰ'জেনৰ মূল্য হ্ৰাস কৰিব পাৰিলে ই শক্তি ব্যৱহাৰৰ প্ৰেক্ষাপট সলনি কৰিব। জৈৱ ইন্ধন মিশ্ৰণৰ সন্দৰ্ভত শ্ৰী পুৰীয়ে কয়, যে প্ৰথম অৱস্থাত ২০৩০ চনৰ ভিতৰত পৰম্পৰাগত ইন্ধনৰ সৈতে ২০ শতাংশ জৈৱ ইন্ধন মিহলি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল যদিও এতিয়া এই সময়সীমা ২০২৫ চনলৈ আগুৱাই অনা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে অসমৰ ভাৰতীয় তেল নিগম লিমিটেডৰ চৌহদত পৌৰ আৱৰ্জনাৰ পৰা জৈৱ ইন্ধন উৎপাদনৰ বাবে সুকীয়া গৱেষণা শাখা স্থাপনৰ কথা ঘোষণা কৰে।

এই বিষয়ভিত্তিক সত্ৰত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ভাৰতৰ তৈল উদ্যোগ খণ্ডত অসমে অগ্ৰণী ভূমিকা পালন কৰি আহিছে। বৃহৎ পৰিমাণৰ হাইড্ৰ'কাৰ্বন সংৰক্ষণ আৰু দক্ষ লোকৰ জৰিয়তে ভাৰতৰ শক্তিখণ্ডত অসমে গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। ভাৰতৰ শক্তিখণ্ডৰ মানচিত্ৰত অসমৰ স্থানৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰগৰাকীয়ে কয়, যে দেশৰ মুঠ প্ৰাকৃতিক গেছৰ ১২ শতাংশ অসমতে উপলব্ধ। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সেউজ শক্তিৰ লক্ষ্যক বাস্তৱায়িত কৰি তোলাৰ বাবে অসম চৰকাৰ দৃঢ়প্ৰতিজ্ঞ।

০০০০০

সমগ্ৰ শিক্ষা মৰিগাঁৱৰ উদ্যোগত আৰু আৰ্টিফিচিয়েল লিম্ব মেনিফেকচাৰিং লিমিটেড কানপুৰৰ সহযোগত আজি মৰিগাঁও জিলাৰ ৮০গৰাকী শ্ৰৱন বাধাগ্ৰস্ত শিশুক শ্ৰৱন সঁজুলি বিতৰণ কৰা হয়। মৰিগাঁও শিক্ষা বিভাগৰ প্ৰজ্ঞা ভৱনত আয়োজন কৰা এটা অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই শিক্ষা বিভাগৰ এই পদক্ষেপৰ শলাগ লৈ কয় যে মানৱ সেৱাই প্ৰকৃত সেৱা। এই সঁজুলিসমূহে দিব্যাংগ শিশুসকলক আগবাঢ়ি যোৱাত সহায় কৰিব। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া ৰবেন্দ্ৰ কুমাৰ দাস, মৰিগাঁও জিলাৰ সহকাৰী আয়ুক্ত পংকজজ্যোতি শইকীয়া, মিলেশ্বৰ পাটৰ, অপূৰ্ব ঠাকুৰীয়া, লক্ষ্মীনন্দন শইকীয়া আদি বহুকেইগৰাকী বিভাগীয় বিষয়া উপস্থিত থাকে।

০০০০০

চিৰাং জিলাৰ জৌহোলাও চিক্‌না ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা হৰিণাক অৰণ নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানৰ সদস্যসকলৰ সহযোগত বন সুৰক্ষা বাহিনী আৰু বন কৰ্মীয়ে উদ্ধাৰ কৰে। ৰুণীখাটা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ চামুদৈচো গাঁৱত উদ্ধাৰ হোৱা এই হৰিণাটো কালি ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত মুকলি কৰি দিয়া হয় বুলি বনাঞ্চলিক বিষয়া যশোমানিক বসুমতাৰীয়ে জানিবলৈ দিছে।

০০০০০

বিজেপি অসম প্ৰদেশৰ জনসংঘকালীন জ্যেষ্ঠ নেতা, প্ৰাক্তন সাংগঠনিক সাধাৰণ সম্পাদক, উপ-সভাপতি হৰেকৃষ্ণ ভৰালীৰ কালি ৭৫ বছৰ বয়সত মৃত্যু হয়। তেওঁৰ নশ্বৰ দেহ আজি অটল বিহাৰী বাজপেয়ী ভৱনলৈ অনা হয় আৰু দলৰ হৈ বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জনায়। মন্ত্ৰী অশোক সিংহলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে হৰেকৃষ্ণ ভৰালীৰ আদৰ্শ বিজেপিৰ বাবে সদায় পাথেয় হৈ ৰ'ব।

০০০০০

সমাপ্ত